

গুৱাহাটী, ২ ডিচেম্বৰ, সোমবাৰ ২০২৪ পৃষ্ঠা ৮

# নাকৰ এ গ্ৰেডেৰে উজলিল দিশপুৰ মহাবিদ্যালয়

গুৱাহাটী, ১ ডিচেম্বৰ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম উচ্চ শিক্ষাৰ অনুষ্ঠান দিশপুৰ মহাবিদ্যালয়ক ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যাপন পৰিষদ চমুকৈ নাকৰ দ্বাৰা এ গ্ৰেড প্ৰদান কৰা হৈছে। উক্ত বাতৰিয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়ত্ৰী আৰু পৰিয়ালৰ অন্যান্য সদস্যসকলকো উৎফুল্লিত কৰে। যোৱা জুলাইত স্ব-অধ্যয়ন প্ৰতিবেদন (এছএছআৰ)-এ দাখিল কৰা মহাবিদ্যালয়ত যোৱা নৱেম্বৰৰ ১৮ আৰু ১৯ তাৰিখে অধ্যাপক এন. ভি. কল্যানকৰ, প্ৰাক্তন উপাচাৰ্য, গণ্ডৱানা বিশ্ববিদ্যালয়, মহাৰাষ্ট্ৰ; প্ৰফেচাৰ নিলেশ অৰোৰা, অধ্যাপক, চণ্ডিগঞ্জ বিশ্ববিদ্যালয়, আৰু ড° সংযুক্তা মহাপাত্ৰ, প্ৰাক্তন অধ্যক্ষ, শৈলবালা মহিলা মহাবিদ্যালয়, কটকৰ দ্বাৰা গঠিত নাক সহকৰ্মী দলে ক্ষেত্ৰভিত্তিক পৰীক্ষণ আৰু মূল্যায়ন কৰে। মূল্যায়নৰ অন্তত সাতটা ক্ষেত্ৰত মহাবিদ্যালয়খনে আগবঢ়োৱা উল্লেখনীয় অৱদান আৰু কৃতকাৰ্যৰ বাবে নাকে উক্ত গ্ৰেড প্ৰদান কৰে। মহাবিদ্যালয়খনৰ এই উল্লেখনীয় সফলতাত সক্ৰিয় সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাসৰ লগতে সদস্যসকল, প্ৰাক্তন আৰু বৰ্তমানৰ শিক্ষক-শিক্ষয়ত্ৰী আৰু কৰ্মচাৰী, প্ৰাক্তন ছাত্ৰ সম্মিলনী, অভিভাৱক সংস্থা, ছাত্ৰ একতা সভাৰ বিষয়ববীয়া, এন.চি.চি. কেডেট, এনএছএছৰ স্বেচ্ছাসেৱক আদিকে প্ৰমুখ্য কৰি সকলো শুভাকাংক্ষী আৰু সহযোগী অংশীদাৰক মহাবিদ্যালয়খনৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিছে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই। উল্লেখনীয় যে মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° সুনীতা আগৰৱালা, সহকাৰী সমন্বয়কদ্বয় ড° শিখাজ্যোতি ডেকা আৰু ড° স্মৃতি দেউৰী, প্ৰাক্তন সমন্বয়ক ড° অজয় মিত্ৰৰ লগতে অন্যান্য মাপকাঠী সমন্বয়ক সকলৰ নেতৃত্বত আৰু মহাবিদ্যালয়ৰ অধ্যক্ষৰ তত্ত্বাৱধানত চলা নেৰানেপেৰা প্ৰচেষ্টাৰ ফলত মহাবিদ্যালয়খন অৰ্জন কৰা এই সফলতাই অনুষ্ঠানটোৰ লগত জড়িত সকলোকে আনন্দিত কৰিছে। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ অনন্য

**পাৰদৰ্শীতা আৰু সক্ৰিয় ভূমিকাই নাকৰ প্ৰতিনিধি দলটোৰ অহা সদস্যসকলৰ ভূয়সী প্ৰসংসা লাভ কৰে**

১৯৭৮ত গুৱাহাটী মহানগৰীৰ গণেশগুৰিৰ দৰে কেন্দ্ৰস্থলত প্ৰতিষ্ঠিত মহাবিদ্যালয়খনত বৰ্তমানে কলা-বাণিজ্য, বিবিএ, বিচিএৰ লগতে উচ্চতৰ মাধ্যমিক স্তৰত প্ৰায় তিনি হেজাৰৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাগ্ৰহণ কৰি আছে। উল্লেখনীয় যে ২০২২ৰ মাৰ্চত অধ্যক্ষৰ ভাৰ গ্ৰহণ কৰা ড° নৱজ্যোতি বৰাই এই দায়িত্ব গ্ৰহণ কৰিয়েই মহাবিদ্যালয় পৰিয়ালৰ অন্যান্য সদস্যসকলক লৈ শিক্ষণ মূল্যায়নৰ লগতে সাহিত্য-কলা-সংস্কৃতি-ক্ৰীড়া-এই বিভিন্ন ক্ষেত্ৰত মহাবিদ্যালয়ে ছাত্ৰ-ছাত্ৰীসকলৰ উৎকৰ্ষ সাধনৰ বাবে বহুখিনি বলিষ্ঠ পদক্ষেপ হাতত লৈছে। মহাবিদ্যালয়খনক এক আৰ্থ-সামাজিকভাৱে দায়বদ্ধ অনুষ্ঠানত পৰ্যবশিত কৰিবৰ বাবে বিগত দিনত ইয়াৰ শৈক্ষিক সমাজে বহুতো সম্প্ৰসাৰণ কাৰ্যসূচীৰ জৰিয়তে সামাজিক আৰু আৰ্থিকভাৱে বহু অনুষ্ঠান আৰু ব্যক্তিৰ শৈক্ষিক উত্তৰণৰ বাবে কাম কৰি আহিছে। অধ্যক্ষ ড° বৰাই নাকৰ দ্বাৰা প্ৰদান কৰা এই স্বীকৃতি অনাগত দিনত মহাবিদ্যালয়খনক শৈক্ষিক আৰু সামাজিকভাৱে অধিক দায়বদ্ধ কৰি তুলিব বুলি প্ৰেছ বিবৃতিযোগে ব্যক্ত কৰে।